Unit :- 4

## ভাৰতবৰ্ষত শিক্ষকৰ শিক্ষাৰ স্থান :- ধাৰা, বিষয় আৰু প্ৰত্যাহ্বানসমূহ

### আৰু সামৰ্থ্যভিত্তিক

* **কৌশলভিত্তিক শিক্ষকৰ শিক্ষা :-** শিকন শিক্ষণ প্ৰক্ৰিয়াটো হৈছে এক জটিল ব্যৱস্থা যিহাত শিক্ষকৰ বিভিন্ন কাৰ্যাৱলী জড়িত হৈ থাকে। যেনে :- পাঠৰ আৰম্ভণি, ধাৰণাৰ ব্যাখ্যাকৰণ, ব্লেকবোৰ্ডৰ ব্যৱহাৰ, শিক্ষণ সঁজুলিৰ ব্যৱহাৰ, প্ৰশ্নসোধা কৌশল ইত্যাদি। কৌশল শব্দৰ ইংৰাজী প্ৰতিশব্দ "Skill"ৰ অৰ্থ হ'ল পটুতা বা নিপুণতা। শিক্ষকে শ্ৰেণীকোঠাত ব্যৱহাৰ কৰা বিভিন্ন নিৰ্দেশনামূলক পদ্ধতিসমূহ শিক্ষণ কৌশল হিচাপে আখ্যা দিয়া হয়।

শিক্ষণৰ মৌলিক উদ্দেশ্য হ'ল — শিক্ষাৰ্থীৰ সৰ্বতোমুখী বিকাশ সাধন কৰা। গতিকে, ফলাফলৰ ফলপ্ৰসূতাৰ বাবে শিক্ষকসকলে প্ৰয়োজনীয় শিক্ষণ আৰু প্ৰশিক্ষণৰ জৰিয়তে কৌশলসমূহ আয়ত্ত কৰা উচিত।

* According to Karl Massanari, "উন্মুক্ত শিক্ষকৰ শিক্ষা প্ৰক্ৰিয়াই সমগ্ৰ শৈক্ষিক জগতখনক আন্দোলিত কৰিব পাৰে। ইয়াৰ দ্বাৰা মূল্যায়নৰ উন্নতিকৰণ ব্যক্তি বিশেষৰ নিৰ্দেশনা শিক্ষাৰ স্পষ্ট উদ্দেশ্য, ক্ষেত্ৰভিত্তিক অভিগমন আদিৰ ওপৰত গুৰুত্ব দিব লাগে।"

ইংৰাজী Compentence শব্দৰ অৰ্থ হ'ল সামৰ্থ্য, যোগ্যতা, ক্ষমতা বা পাৰ্গতালি। শিক্ষকৰ শিক্ষাদানৰ যোগ্যতা বুলিলে এজন শিক্ষকে শ্ৰেণীকক্ষত শিক্ষাদান প্ৰক্ৰিয়াত দেখুওৱা পাৰ্গতালি বা দক্ষতাক বুজা যায়। এজন যোগ্যতাসম্পন্ন শিক্ষকেহে বৃত্তিমূলক সংস্থা সামাজিক কামকাজ, চাকৰিকালীন শিক্ষা আৰু গৱেষণামূলক কাৰ্যত অংশগ্ৰহণ কৰি নিজৰ সামৰ্থ্য প্ৰতিপন্ন কৰিব পাৰে।

* **শিক্ষণ যোগ্যতাৰ প্ৰকাৰসমূহ (Types of Learning Qualifications):-**

1. **জ্ঞানভিত্তিক সামৰ্থ্য :-** এই শ্ৰেণীৰ সামৰ্থ্যক বিষয়বস্তু ভিত্তিক আৰু শিক্ষণ কাৰ্যাৱলীসমূহক বিস্তৃত জ্ঞানভিত্তিক সামৰ্থ্যতাৰ কথা বুজোৱা হয়। এই পৰ্যায়ৰ সামৰ্থ্যতাক শিক্ষাৰ্থীক শিক্ষকসকলৰ জ্ঞান, বুদ্ধি আৰু কৌশলভিত্তিক সামৰ্থ্যতাৰ কথা বুজোৱা হয়।

Date ___/___/___
Page ______

iii) কৰ্মদক্ষতাভিত্তিক সামৰ্থ্যতা :- এই পৰ্যায়ৰ সামৰ্থ্যতাই এজন শিক্ষকক হ'বৰ বাবে আগতিয়াল কৰ্মদক্ষতাৰ বিকাশৰ কথা বুজোৱা হয়। এই সামৰ্থ্যতাসমূহ কৌশলভিত্তিক হয়।

iv) পৰিনতিভিত্তিক সামৰ্থ্যতা :- শিক্ষাগ্ৰহনৰ অন্তত শিক্ষাৰ্থীৰ পাৰদৰ্শিতা হৈছে পৰিনতিভিত্তিক সামৰ্থ্যতাৰ অন্তৰ্ভুক্ত। ইয়াত পৰিনতি শব্দৰ দ্বাৰা শিক্ষাৰ্থীৰ জ্ঞান, দক্ষতা আৰু কৌশলৰ বিকাশৰ কথা কোৱা হৈছে।

v) আনুভূতিক সামৰ্থ্য :- ওপৰৰ সামৰ্থ্যতাৰ ভিত্তিত আটাইতকৈ উল্লেখনীয় সামৰ্থ্যতা হ'ল আনুভূতিক সামৰ্থ্যতা। শিক্ষাগ্ৰহন আৰু প্ৰশিক্ষন প্ৰাপ্তিৰ অন্তত শিক্ষাৰ্থীৰ মনত আকাংক্ষিত মনোভাৱ আৰু মূল্যবোধৰ বিকাশ সাধন কৰাকে আনুভূতিক সামৰ্থ্যতা বোলা হয়।

vi) অনুসন্ধানমূলক সামৰ্থ্যতা :- শিক্ষাৰ্থীৰ অনুসন্ধানমূলক মনোভাৱে শিক্ষন কাৰ্যত যথেষ্ট সহায় কৰে। শিক্ষাৰ্থীক শিক্ষকসকলে প্ৰশিক্ষণৰ অন্তত নিজৰ অনুসন্ধানমূলক সামৰ্থ্যতাৰ বিকাশ সাধন কৰিব পাৰিব লাগিব।

* শিক্ষন সামৰ্থ্যতাৰ গুৰুত্ব বা প্ৰয়োজনীয়তা (Need and Importance of Learning Qualifications) :- শিক্ষকৰ যোগ্যতা বা সামৰ্থ্যতা মানে হৈছে শিক্ষাদানৰ কৌশল, শিক্ষাৰ নীতি, শিক্ষকৰ মানসিকতা, বিষয়বস্তুৰ ওপৰত থকা গভীৰ জ্ঞান। শিক্ষকৰ শিক্ষন সামৰ্থ্যতাৰ ক্ষেত্ৰত প্ৰয়োজন সম্পৰ্কে আলোচনা কৰা হ'ল –

1. শিক্ষকৰ শিক্ষন সামৰ্থ্যতাই বিদ্যালয়ৰ সহঃপাঠ্যক্ৰমিক কাৰ্যাৱলীৰ সংগঠন, সহযোগিতা, পৰিচালনা কৰাত সহায় আগবঢ়ায়।
2. বিষয়বস্তুৰ ওপৰত গভীৰ জ্ঞান থাকিলেহে শিক্ষাৰ্থীক বিষয়বস্তুৰ প্ৰতি আকৰ্ষিত কৰিব পাৰি।
3. বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ শ্ৰব্য-দৃশ্য শিক্ষন সঁজুলিসমূহ উপযুক্তভাৱে প্ৰয়োগ কৰি ছাত্ৰ ছাত্ৰীক সমস্যাৰ পৰত আগুৱাই নিবলৈ শিক্ষন সামৰ্থ্যতাৰ অতি প্ৰয়োজন।
4. শিক্ষা আৰু মনোবিজ্ঞানৰ নীতি সম্বন্ধে প্ৰনালীবদ্ধ জ্ঞান, শিক্ষাৰ নীতি, পাঠ্যক্ৰম সম্বন্ধে উপযুক্ত জ্ঞান থকাটো দৰকাৰ।

maxmind

5. বিভিন্ন সময়ত হাস্যৰসাত্মক কথাৰে শিক্ষাৰ্থীক অধ্যয়নৰ প্ৰতি আগ্ৰহী কৰি তোলাৰ ক্ষেত্ৰত শিক্ষণ সামৰ্থ্যতাৰ গুৰুত্ব সৰ্বাধিক।

6. শিক্ষণ সামৰ্থ্যতাৰ যোগেদি শিক্ষকসকলৰ ব্যক্তিগত জীৱনতো উন্নতি সাধন হয়।

7. শিক্ষাৰ্থীৰ ব্যক্তিত্বৰ সৰ্বাংগীন বিকাশ সাধনৰ বাবেও শিক্ষণ যোগ্যতাৰ প্ৰয়োজন।

8. সহিষ্ণুতা আৰু বাক্‌পটুতা আদি গুণৰ সহায়ত এজন শিক্ষকে শিক্ষাৰ্থীক অতি সহজে আকৰ্ষিত কৰিব পাৰে। যাৰ ফলত শিক্ষাৰ্থীৰ মনোযোগ, অধ্যয়নৰ প্ৰতি আগ্ৰহ, বিষয়বস্তুৰ বিশ্লেষণ ক্ষমতা বৃদ্ধি পাব।

* অনুশিক্ষণ (Micro-Teaching):- শিক্ষাব্যৱস্থাত শিক্ষাদান প্ৰক্ৰিয়া অধিক ফলপ্ৰসূ কৰি তুলিবৰ বাবে গৱেষকসকলে বিভিন্ন ধৰণৰ গৱেষণা কাৰ্য চলাই আহিছে। অনুশিক্ষণ পদ্ধতিৰ উদ্ভাৱন তেনে এক গৱেষণাৰে ফলাফল। 1960 - 67 চনৰ ভিতৰত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ষ্টেনফোৰ্ড বিশ্ববিদ্যালয়ৰ Prof. Dwight Allen আৰু Prof. Robert Buch এ অনুশিক্ষণ পদ্ধতি উদ্ভাৱন কৰি উলিয়ায়। শ্ৰেণীকক্ষত দেখা দিয়া জটিলতাসমূহ দূৰ কৰাই অনুশিক্ষণ পদ্ধতিৰ মূল উদ্দেশ্য। কম সংখ্যক শিক্ষাৰ্থীক কম সময়ত কোনো বিষয়বস্তুৰ সৰু সৰু উপাদান শিকোৱা কৌশলেই অনুশিক্ষণ।

শিক্ষক শিক্ষাৰ্থীসকলক শিক্ষণ দক্ষতা লাভৰ ক্ষেত্ৰত অতি সৰল আৰু গভীৰ প্ৰশিক্ষণ কৌশলেই হৈছে অনুশিক্ষণ। এই ব্যৱস্থাত 5 জনৰ পৰা 10 জন শিক্ষাৰ্থীক কোনো এক নিৰ্দিষ্ট বিষয়ৰ ধাৰণা, কোনো এক নিৰ্দিষ্ট শিক্ষণ কৌশল প্ৰয়োগ কৰি 5 - 10 মিনিটৰ ভিতৰত প্ৰদান কৰা হয়।

D.W. Allen ৰ মতে, অনুশিক্ষণ হৈছে নিৰ্দিষ্ট অনুপাতে সংক্ষিপ্ত ৰূপত সন্মুখীন হোৱা শিক্ষণ। (Micro Teaching is the Scaled down Teaching encounter).

বৈশিষ্ট্য:- (1) অনুশিক্ষণ হৈছে পূৰ্বপৰিকল্পিত আৰু সুসংগঠিত।

(ii) ইয়াত শিক্ষণ কৌশলসমূহৰ ওপৰত অধিক গুৰুত্ব দিয়া হয়।

(iii) অনুশিক্ষণ প্ৰক্ৰিয়াত শিক্ষাৰ্থীৰ সংখ্যা অতি কম অৰ্থাৎ 5 ৰ পৰা 10 জনৰ ভিতৰত।

(iv) অনুশিক্ষণ অতি জটিল প্ৰশিক্ষণ ব্যৱস্থা।

(v) অনুশিক্ষণ প্ৰক্ৰিয়াত তাৎক্ষণিক feedback ৰ ব্যৱস্থা প্ৰয়োগ কৰিব পাৰি।

সুবিধাঃ- (i) শিক্ষকে শ্ৰেণীকক্ষত নিজৰ আচৰণ সম্বন্ধে জানিব পাৰে।

(ii) শিক্ষণ কাৰ্যৰ ভুল ত্ৰুটিসমূহ আঁতৰাই শিক্ষণ কাৰ্যক অধিক উন্নত কৰিব পাৰে।

(iii) অনুশিক্ষণ প্ৰক্ৰিয়াত তাৎক্ষণিক প্ৰতিপুষ্টি লাভ কৰিব পাৰি।

(iv) শিক্ষকসকলে যি শিক্ষণ কৌশল বাছি লৈ শিক্ষাদান কৰোঁতে শিক্ষকজনৰ সেই কৌশলৰ দক্ষতা বৃদ্ধি কৰে।

অসুবিধাঃ- (i) অনুশিক্ষণ হৈছে কমসংখ্যক প্ৰশিক্ষকৰ দ্বাৰা সম্পাদিত হোৱা প্ৰক্ৰিয়া। কিন্তু যেতিয়া শ্ৰেণীকক্ষত বহুসংখ্যক শিক্ষাৰ্থীৰ আগত শিক্ষাদান কৰিবলগীয়া হয় তেতিয়া অসুবিধাৰ সৃষ্টি হ'ব পাৰে।

(ii) ই এক যান্ত্ৰিক প্ৰক্ৰিয়া।

(iii) ইয়াৰ পৰিসৰ যথেষ্ট ঠেক।

(iv) শিক্ষক প্ৰশিক্ষণৰ বাবে যিবোৰ দিশ আছে সেই সকলোবোৰ দিশ অনুশিক্ষণৰ দ্বাৰা বিকশাই তোলাটো সম্ভৱ নহয়।

* অনুশিক্ষণৰ স্তৰ (Steps of Micro-Teaching):-

1. নিৰ্দিষ্ট কৌশলৰ সংজ্ঞা প্ৰদান :- অনুশিক্ষণৰ প্ৰথম স্তৰটো হ'ল এটা নিৰ্দিষ্ট কৌশলৰ সংজ্ঞা প্ৰদান। শিক্ষাৰ্থীসকলৰ শিকনৰ আচৰণৰ প্ৰতি লক্ষ্য ৰাখি কোনো এক নিৰ্দিষ্ট কৌশল বাছি লোৱা হয়। ইয়াৰ জৰিয়তে শিকনৰ উদ্দেশ্যসমূহত উপনীত হ'বলৈ চেষ্টা কৰা হয়।

2. কৌশল প্ৰদৰ্শন কৰা :- এই পৰ্যায়ত শিক্ষক প্ৰশিক্ষাৰ্থীসকলক কৌশলসমূহ প্ৰদৰ্শন কৰা হয়। প্ৰদৰ্শিত কৌশলসমূহৰ পৰা শিক্ষক প্ৰশিক্ষাৰ্থীসকলে একোটা একোটা কৌশল বাছি উলিয়ায়।

৩. পাঠ পৰিকল্পনা :- এই স্তৰত শিক্ষক প্ৰশিক্ষাৰ্থীসকলে অনুশিক্ষণৰ পাঠপৰিকল্পনা কৰি উলিয়ায়। পাঠ পৰিকল্পনা প্ৰস্তুত কৰাৰ সময়ত কৌশলসমূহৰ প্ৰশিক্ষণৰ কথা মনত ৰাখি দিবোলো এটা কৌশল বাচনি কৰি 5 ৰ পৰা 10 মিনিট সময়ৰ ভিতৰত প্ৰস্তুত কৰি উলিওৱা হয়।

৪. ক্ষুদ্ৰ দলৰ শিক্ষণ :- এই স্তৰত শিক্ষকসকলে 5 ৰ পৰা 10 জন শিক্ষাৰ্থীৰ একোটা সৰু সৰু দলক শিক্ষা প্ৰদান কৰে। এই শিক্ষণ কাৰ্যক ভিডিঅ' ৰেকৰ্ড কৰি পিছত সমালোচনামূলক কাৰ্যৰ বাবে ইয়াক ব্যৱহাৰ কৰা হয়।

৫. পাঠৰ পুনঃ আচনি :- পৰ্যবেক্ষকৰ মন্তব্যৰ আধাৰত শিক্ষক প্ৰশিক্ষাৰ্থীসকলে নিজৰ সামৰ্থ্য বৃদ্ধি কৰাৰ বাবে একেটা পাঠৰে অথবা অন্য কোনো পাঠৰ আচনি প্ৰস্তুত কৰে।

৬. প্ৰতিপুষ্টি :- এই পৰ্যায়ত পাঠদান কাৰ্য পুনৰ নিৰীক্ষণ কৰা হয়। নিৰীক্ষণৰ অন্তত লাভ কৰা দিশবোৰ লিপিবদ্ধ কৰি শিকোৱা পাঠৰ ওপৰত প্ৰতিপুষ্টি প্ৰদান কৰা হয়।

৭. শিকোৱা আৰু পুনৰ শিকোৱাৰ চক্ৰ :- শিক্ষক প্ৰশিক্ষাৰ্থীসকলে নিৰ্দিষ্ট লক্ষ্যত উপনীত নোহোৱা পৰ্যন্ত পুনৰ শিকোৱা প্ৰক্ৰিয়া অব্যাহত ৰাখে। এই প্ৰক্ৰিয়াৰ জৰিয়তে তেওঁলোকৰ শিকন কাৰ্যৰ দুৰ্বলতাসমূহ আতৰ কৰিবলৈ চেষ্টা কৰা হয়।

৮. শিকোৱা কৌশলৰ সংহতি :- অনুশিক্ষণ হৈছে এক শিক্ষক প্ৰশিক্ষণ প্ৰক্ৰিয়া যাৰ জৰিয়তে শিক্ষণৰ কৌশলসমূহ আয়ত্ব কৰিবলৈ চেষ্টা কৰা হয়। অনুশিক্ষণ প্ৰক্ৰিয়াই শিক্ষণ কাৰ্যৰ কৌশলসমূহ একত্ৰিকৰণ কৰাত সহায় কৰে।

* উদ্দীপিত কৰি তোলা সামাজিক নিপুণতা বা দক্ষতাৰ প্ৰশিক্ষণ (Stimulated Social Skill Training) :- SSST হৈছে ভাৰতীয় শিক্ষাব্যৱস্থাত শিক্ষকসকলৰ প্ৰশিক্ষণৰ বাবে তুলনামূলকভাৱে নতুনকৈ ব্যৱহাৰ কৰা এক কৌশল। এইক লেভংক নামৰ বিশেষজ্ঞ জনে শিক্ষক প্ৰশিক্ষণৰ বাবে এই বিশেষ কৌশলবিধ বিকাশ কৰি তুলিছে। শিক্ষক প্ৰশিক্ষণৰ আসোঁৱাহ আৰু দুৰ্বলতাসমূহ আতৰ কৰাৰ ক্ষেত্ৰত SSST এ বিশেষভাৱে

সহায় কৰিব বুলি আশা কৰা হৈছে। ই হৈছে প্ৰতিপুষ্টিৰ নীতিসমূহৰ এক প্ৰক্ৰিয়া যিয়ে কৃত্ৰিম শ্ৰেণী পৰিৱেশত কিছুমান আকাংক্ষিত আচৰণৰ বিকাশ সাধন কৰে।

SSST ৰ পৰ্যায়সমূহ তলত দিয়াধৰণে আলোচনা কৰিব পাৰি —

1. এই পৰ্যায়ত ছাত্ৰসকলৰ ভূমিকা নিৰ্ধাৰণ কৰা হয়। প্ৰত্যেক ছাত্ৰ শিক্ষকে নিৰীক্ষক, শিক্ষক অথবা ছাত্ৰৰ ভূমিকা এটা পৰ্যায়ত পালন কৰিবলগীয়া হয়।
2. এই পৰ্যায়ত সামাজিক দক্ষতাৰ নিৰ্ধাৰণ আৰু বিকাশ কৰিব লাগে। কোনটো দক্ষতাৰ অনুশীলন কৰিব তাক পৰিকল্পনা কৰি লব লাগে। এজন ছাত্ৰই যিকোনো এটা পাঠ বাছি লৈ তাৰ পাঠ পৰিকল্পনা প্ৰস্তুত কৰিব পাৰে।
3. এই পৰ্যায়ত প্ৰশিক্ষণৰ আৰম্ভণিৰ পৰা শেষলৈ কাৰ্যকৰ্মসমূহ ক্ৰমনিৰ্ধাৰণৰ হব তাক প্ৰস্তুত কৰি লব লাগে।
4. এই পৰ্যায়ত শিক্ষকৰ আচৰণৰ পৰিমাণ নিৰ্ধাৰণ কৰা হয়। শ্ৰেণীকোঠাত শিক্ষাৰ্থীৰ উপযুক্ত বিকাশৰ বাবে শিক্ষকৰ উপযুক্ত আচৰণ প্ৰদৰ্শন অতি প্ৰয়োজনীয়।
5. এই পৰ্যায়ত SSST ৰ কাৰ্যপন্থা অনুসৰি অনুশীলন আৰম্ভ কৰা হয় ছাত্ৰ প্ৰশিক্ষকসকলে নিৰীক্ষক অথবা ছাত্ৰৰ ভূমিকা পালন কৰে।
6. এই পৰ্যায়ত ছাত্ৰ শিক্ষকসকলক প্ৰতিপুষ্টি প্ৰদান কৰা হয় আৰু ছাত্ৰ শিক্ষকসকলে অনুশীলন আৰু পুনশিক্ষণ কৰিব লাগে।

* সামগ্ৰিকভাৱে SSST হৈছে শিক্ষকৰ আচৰণ প্ৰশিক্ষণৰ প্ৰক্ৰিয়া। এখন শিক্ষানুষ্ঠানত শিক্ষকৰ আচৰণৰ যথেষ্ট প্ৰভাৱ পৰা দেখিবলৈ পোৱা যায়। শিক্ষাৰ্থীৰ উপযুক্ত আচৰণৰ বিকাশত শিক্ষকৰ যথেষ্ট ভূমিকা আছে। গতিকে প্ৰশিক্ষণৰ জৰিয়তে শিক্ষকৰ আচৰণ সংশোধন কৰা হয়।

সুবিধা :- 1. শিক্ষণৰ কঠিন সমস্যাসমূহ অধ্যয়ন আৰু বিশ্লেষণৰ কাৰণে শিক্ষক শিক্ষাৰ্থীসকলে সুযোগ সুবিধা লাভ কৰিব পাৰে।

2. SSST কৌশলৰ দ্বাৰা শিক্ষণৰ তাত্ত্বিক আৰু ব্যৱহাৰিক দিশৰ সমন্বয় সাধন কৰিব পাৰি।

3. সামাজিক নিয়ন্ত্ৰণৰ দ্বাৰা শ্ৰেণী পৰিৱেশত বহা ছাত্ৰ ছাত্ৰীৰ উপযুক্ত আচৰণৰ বিষয়ে জনাত সহায় কৰিব পাৰে।
4. সামাজিক নিয়ন্ত্ৰণৰ শিক্ষাৰ্থীসকলক প্ৰতিপুষ্টি প্ৰদান কৰাৰ লগতে শিক্ষাৰ কৌশলসমূহৰ বিকাশ সাধন কৰে।

অসুবিধা :- 1. একক বিষয়ৰ ছাত্ৰ শিক্ষকৰ ক্ষেত্ৰতহে এই পদ্ধতি উপযোগী।
2. শিক্ষকৰ শিক্ষণ কৌশলতকৈ সামাজিক দিশত অধিক গুৰুত্ব দিয়া হয়।
3. বিষয়বস্তুৰ ওপৰত গুৰুত্ব প্ৰদান কৰা নহয় বাবে এই পদ্ধতিটো কেতিয়াবা উপযোগী নহবও পাৰে।

* অনুশিক্ষণ আৰু পৰম্পৰাগত শিক্ষণৰ মাজত পাৰ্থক্য (Difference between Micro Teaching and Traditional Teaching) :-

| অনুশিক্ষণ | পৰম্পৰাগত শিক্ষণ |
|---|---|
| 1. অনুশিক্ষণত পাঠৰ একেটা অংশক সৰু সৰু কৰি ভাগ কৰি শিক্ষাদান কৰা হয়। | 1. পৰম্পৰাগত শিক্ষণত সামগ্ৰিকভাৱে বিষয়বস্তুক সামৰি লোৱা হয়। |
| 2. অনুশিক্ষণত সীমিত পৰিমানৰ অৰ্থাৎ 5 ৰ পৰা 10 জন শিক্ষাৰ্থীয়ে এটা শ্ৰেণীকক্ষত থাকিব পাৰে। | 2. পৰম্পৰাগত শিক্ষণত শ্ৰেণীকক্ষত 50 - 100/200 বা তাতকৈয়ো অধিক শিক্ষাৰ্থী থকা দেখা যায়। |
| 3. অনুশিক্ষণত তাৎক্ষণিক প্ৰতিপুষ্টি লাভ কৰিব পাৰি | 3. পৰম্পৰাগত শিক্ষণত তাৎক্ষণিক প্ৰতিপুষ্টি লাভৰ সুবিধা নাথাকে। |
| 4. অনুশিক্ষণ সম্পূৰ্ণ নিয়ন্ত্ৰিত পৰিৱেশত কৰা হয়। | 4. পৰম্পৰাগত শিক্ষণ নিয়ন্ত্ৰিত পৰিৱেশত কৰা নহয়। |
| 5. অনুশিক্ষণ এক ব্যক্তিকেন্দ্ৰিক শিক্ষণ ব্যৱস্থা। | 5. পৰম্পৰাগত শিক্ষণ এক সামূহিক শিক্ষণ ব্যৱস্থা |
| 6. অনুশিক্ষণত শিক্ষাদানৰ বাবে 5 ৰ পৰা 10 মিনিট সময়হে দিয়া হয়। | 6. প্ৰচলিত শিক্ষাদান ব্যৱস্থাত 45 ৰ পৰা 60 মিনিট সময় এটা ক্লাছত দিয়া হয়। |
| 7. অনুশিক্ষণৰ পৰিসৰ সংকীৰ্ণ। | 7. পৰম্পৰাগত শিক্ষণৰ পৰিসৰ ব্যাপক। |

maxmind

*** ফ্লেণ্ডাৰচ আন্তঃক্ৰিয়া বিশ্লেষণ (Flanders Interaction Analysis):–**

শিক্ষাদান প্ৰক্ৰিয়া হৈছে শিক্ষক আৰু শিক্ষাৰ্থীৰ মাজত চলা এক আন্তঃক্ৰিয়া। শিক্ষক আৰু শিক্ষাৰ্থীৰ মাজত চলা পাৰস্পৰিক ক্ৰিয়াৰ জৰিয়তে শিক্ষণ প্ৰক্ৰিয়া সংঘটিত হয়। আন্তঃক্ৰিয়া যিমানেই ফলপ্ৰসূ আৰু আনন্দদায়ক হ'ব, শিক্ষা প্ৰক্ৰিয়া সিমানেই বিকাশশীল হ'ব। এই আন্তঃক্ৰিয়া কাৰ্য সম্পন্ন হ'বৰ বাবে উপযুক্ত পৰিৱেশৰ প্ৰয়োজন হয়।

আন্তঃবিশ্লেষণ হৈছে শিক্ষক আৰু শিক্ষাৰ্থীৰ মাজতে যোগাযোগৰ স্বতঃস্ফূৰ্ত বিশ্লেষণ। শিক্ষা কাৰ্য সম্পন্ন কৰি তুলিবৰ বাবে দুয়োটা ~~মঞ্চই~~ পক্ষই সমানে অংশগ্ৰহণ কৰিব লাগিব। শিক্ষা প্ৰদান কাৰ্যৰ বেলিকা শিক্ষকে অবিৰতভাৱে শিক্ষাৰ্থীৰ সন্মুখত কেৱল বিষয়বস্তু উপস্থাপন কৰোঁতে ব্যস্ত নাথাকি শিক্ষাৰ্থীসকলোকো বিভিন্ন কাৰ্যৰ জৰিয়তে অংশগ্ৰহণ কৰাব লাগে শিক্ষক আৰু শিক্ষাৰ্থীৰ মাজৰ শ্ৰেণীকোঠাৰ এই আন্তঃক্ৰিয়াৰ প্ৰণালীবদ্ধ বিশ্লেষণৰ জৰিয়তে শিক্ষকৰ আচৰণ অধ্যয়ন কৰিব পাৰি লগতে শিক্ষকৰ পাৰদৰ্শিতাৰ মানদণ্ড নিৰূপণ কৰিব পাৰি।

১৯৫৯ চনত "University of Minnesota" ত ফ্লেণ্ডাৰচ আৰু তেওঁৰ সহযোগীসকলে শ্ৰেণীকোঠাৰ শিক্ষণ প্ৰক্ৰিয়াৰ ক্ষেত্ৰত শিক্ষকৰ স্বভাৱ আৰু শিক্ষাৰ্থীৰ মনোভাৱ তথা সাফল্যতাৰ বিষয়ে অধ্যয়ন কৰাৰ বাবে আন্তঃক্ৰিয়া বিশ্লেষণৰ কৌশল উদ্ভাৱন কৰিছিল। ফ্লেণ্ডাৰচৰ নামানুসাৰে এই আন্তঃক্ৰিয়া বিশ্লেষণক ~~কৌশল উদ্ভাৱন কৰিছিল~~ ~~ফ্লেণ্ডাৰচ~~ ফ্লেণ্ডাৰচ আন্তঃক্ৰিয়া বিশ্লেষণ বুলি জনা যায়। এই কৌশলৰ জৰিয়তে শ্ৰেণীকোঠাৰ পৰিৱেশত শিক্ষক শিক্ষাৰ্থীৰ সৈতে যোগাযোগৰ আচৰণ নিৰীক্ষণ কৰি সাংকেতিককৰণ কৰা হয়। এই আন্তঃক্ৰিয়া প্ৰক্ৰিয়াই মূলতঃ শিক্ষকৰ শাব্দিক আচৰণ বিশ্লেষণ কৰে।

ফ্লেণ্ডাৰচে শ্ৰেণীকোঠাৰ সমগ্ৰ মৌখিক আচৰণক পদ্ধতিগত আৰু বিজ্ঞানসন্মতভাৱে অধ্যয়ন কৰাৰ বাবে ৩ টা ভাগত ভাগ কৰিছে →

1. **শিক্ষকৰ ভাষ্য (Teacher Talk):–** শ্ৰেণীকোঠাত শিক্ষণৰ সময়ত যিসমূহ কাৰ্য শিক্ষকে সম্পাদন কৰে সেই আটাইবোৰ কাৰ্য শিক্ষকৰ ভাষ্য স্তৰত অন্তৰ্ভুক্ত হয়। কিন্তু ই কেৱল মৌখিক

maxmind

আচৰণকে অন্তৰ্ভুক্ত কৰে। ফ্লেনদাৰচে শিক্ষকৰ ভাষ্যক ২ টা প্ৰধান ভাগত ভাগ কৰিছে —

ⓐ পৰোক্ষ আচৰণ (Indirect Behaviour) :—

(i) অনুভূতি গ্ৰহণ (Accept feelings) :— এই পৰ্যায়ত শিক্ষাৰ্থীৰ আবেগ অনুভূতি গ্ৰহণ কৰা হয়। এই অনুভূতি ইতিবাচক বা নেতিবাচক দুয়োটাই হ'ব পাৰে।

(ii) উৎসাহিত কৰা (Provide Encouragement) :— শিক্ষাৰ্থীসকলক তেওঁলোকৰ কাৰ্য অনুসৰি উৎসাহিত, অনুপ্ৰাণিত বা প্ৰতিপুষ্টি প্ৰদান কৰিব লাগে।

(iii) শিক্ষাৰ্থীৰ ভাৱধাৰা গ্ৰহণ (Accepts Students Idea) :— শিক্ষকে শিক্ষাৰ্থীয়ে আগবঢ়োৱা শুদ্ধ মতামতসমূহ গ্ৰহণ কৰাৰ লগতে সেইসমূহ ব্যৱহাৰ কৰিব লাগে।

(iv) প্ৰশ্ন সোধা (Ask Question) :— বিষয়বস্তু, কোনো তথ্য, ঘটনা ইত্যাদি সম্পৰ্কে শিক্ষাৰ্থীক প্ৰশ্ন সুধিব লাগে।

ⓑ প্ৰত্যক্ষ আচৰণ (Direct Behaviour) :—

(i) বক্তৃতা (Lecture) :— শ্ৰেণীকোঠাত শিক্ষকজনে বিষয়বস্তু সম্পৰ্কে উপস্থাপন কৰি বক্তৃতা প্ৰদান কৰিব লাগে।

(ii) নিৰ্দেশনা (Instruction) :— শিক্ষকসকলে শ্ৰেণীকোঠাত শিক্ষাৰ্থীৰ বাবে প্ৰয়োজনীয় নিৰ্দেশনা প্ৰদান কৰিব লাগে।

(iii) সমালোচনা আৰু পুৰস্কৃত কৰা :— শিক্ষকে শিক্ষাৰ্থীসকলক তেওঁলোকৰ উপযুক্ত আচৰণৰ বাবে পুৰস্কৃত কৰাৰ লগতে অনুপযুক্ত আচৰণ সলনি কৰিবৰ বাবে সমালোচনা কৰিব লাগে।

ⓒ শিক্ষাৰ্থীৰ ভাষ্য (Student Talk) :— ফ্লেনদাৰচে শিক্ষাৰ্থীৰ ভাষ্যক ২ টা ভাগত ভাগ কৰিছে —

(i) শিক্ষাৰ্থীৰ ভাষ্য প্ৰতিক্ৰিয়া (Pupil Talk Response) :— এই পৰ্যায়ত শিক্ষাৰ্থীৰ শ্ৰেণীকোঠাত কাৰ্যাৱলী আৰু প্ৰতিক্ৰিয়া সম্বন্ধে অনুধাৱন কৰা হয়।

(ii) শিক্ষাৰ্থীৰ ভাষ্যৰ আৰম্ভিকতা (Pupil Talk Initiative) :— এই পৰ্যায়ত শিক্ষাৰ্থীৰ মৌখিক আচৰণে আগভাগ লয়। তেওঁলোকে প্ৰশ্ন সোধে, কোনো বিষয়ৰ বৰ্ণনা দিয়ে অথবা নিজৰ মতামত দাঙি ধৰে।

(vii) মৌনতা (Silence):- শ্ৰেণীকোঠাত শিক্ষকে প্ৰয়োজনবোধ কৰিলে মৌনতা অবলম্বন কৰিব পাৰে। শিক্ষকৰ মৌনতাই শিক্ষাৰ্থীৰ মনত বিশ্ৰান্তিৰ সৃষ্টি কৰে।

বৈশিষ্ট্য:- (i) ফ্লেনডাৰচে ধাৰণা কৰিছিল যে শিক্ষকৰ আচৰণৰ দ্বাৰা শিক্ষাৰ্থীসকল অনুপ্ৰাণিত হয়।
(ii) শিক্ষণ প্ৰক্ৰিয়াত শিক্ষক আৰু শিক্ষাৰ্থীৰ মাজৰ সম্পৰ্ক যথেষ্ট গুৰুত্বপূৰ্ণ।
(iii) শ্ৰেণীকোঠাত শিক্ষকৰ আচৰণ নিৰীক্ষণ কৰি তাক বস্তুনিষ্ঠভাৱে পৰিমাপন কৰিব পৰা যায়।
(iv) শিক্ষণ কাৰ্যৰ ক্ষেত্ৰত শ্ৰেণীকোঠাৰ শিক্ষণ প্ৰক্ৰিয়াৰ যথেষ্ট গুৰুত্বপূৰ্ণ প্ৰভাৱ আছে।
(v) শ্ৰেণীকোঠাত যথেষ্ট পৰিমাণে মৌখিক আচৰণ ব্যৱহাৰ কৰা হয়।
(vi) প্ৰতিপুষ্টি প্ৰদানৰ জৰিয়তে শিক্ষকৰ আচৰণ উন্নত কৰিব পাৰি।

* উদ্দীপিত কৰি তোলা সামাজিক নিপুণতা বা দক্ষতাৰ প্ৰশিক্ষণ (Stimulated Social Skill Training, SSST):- SSST হৈছে ভাৰতীয় শিক্ষাব্যৱস্থাত শিক্ষকসকলৰ প্ৰশিক্ষণৰ বাবে তুলনামূলকভাৱে নতুনকৈ ব্যৱহাৰ কৰা এক কৌশল। ফ্ৰেইক শ্বেংক নামৰ বিশেষজ্ঞজনে শিক্ষক প্ৰশিক্ষণৰ বাবে এই বিশেষ কৌশলবিধি বিকাশ কৰি তুলিছে। শিক্ষক প্ৰশিক্ষণৰ বাধাসমূহ আৰু দুৰ্বলতাসমূহ আতৰ কৰাৰ ক্ষেত্ৰত SSST এ বিশেষভাৱে সহায় কৰিব বুলি আশা কৰা হৈছে। ই হৈছে প্ৰতিপুষ্টিৰ আহিলাসমূহৰ এক প্ৰক্ৰিয়া যিয়ে কৃত্ৰিম শ্ৰেণী পৰিৱেশত বিচুইমান আকাংক্ষিত আচৰণৰ বিকাশ সাধন কৰে।

SSST ৰ পৰ্যায়সমূহ তলত দিয়াধৰণে আলোচনা কৰিব পাৰি —
1. এই পৰ্যায়ত ছাত্ৰ সকলৰ ভূমিকা নিৰ্ধাৰণ কৰা হয়। প্ৰত্যেক ছাত্ৰ শিক্ষকে নিৰীক্ষক, শিক্ষক অথবা ছাত্ৰৰ ভূমিকা

এটা পৰ্যায়ত পালন কৰিবলগীয়া হয়।

২. এই পৰ্যায়ত সামাজিক দক্ষতাৰ নিৰ্ধাৰণ আৰু বিকাশ কৰিব লাগে। কোনটো দক্ষতাৰ অনুশীলন কৰিব তাৰ পৰিকল্পনা কৰি ল'ব লাগে। এজন ছাত্ৰই যিকোনো এটা পাঠ বাছি লৈ তাৰ পাঠ পৰিকল্পনা প্ৰস্তুত কৰিব পাৰে।

৩. এই পৰ্যায়ত প্ৰশিক্ষণৰ আৰম্ভণিৰ পৰা শেষলৈ কাৰ্যকৰ্মসমূহ কেনেধৰণৰ হ'ব তাক প্ৰস্তুত কৰি ল'ব লাগে।

৪. এই পৰ্যায়ত শিক্ষকৰ আচৰণৰ ~~প্ৰদৰ্শন অতি প্ৰয়োজনীয়।~~ পৰিমাণ নিৰ্ধাৰণ কৰা হয়। শ্ৰেণীকোঠাত শিক্ষাৰ্থীৰ উপযুক্ত বিকাশৰ বাবে শিক্ষকৰ উপযুক্ত আচৰণ প্ৰদৰ্শন অতি প্ৰয়োজনীয়।

৫. এই পৰ্যায়ত ওSSওT ৰ কাৰ্যপন্থা অনুসৰি অনুশীলন আৰম্ভ কৰা হয়। ছাত্ৰ প্ৰশিক্ষকসকলে নিৰীক্ষক অথবা ছাত্ৰৰ ভূমিকা পালন ~~কৰা~~ ~~[illegible]~~ কৰে।

৬. এই পৰ্যায়ত ছাত্ৰ শিক্ষকসকলক প্ৰতিপুষ্টি প্ৰদান কৰা হয়। ছাত্ৰ শিক্ষকসকলে অনুশীলন শিক্ষণ কৰিব লাগে।

সামগ্ৰিকভাৱে ও SSওT হৈছে শিক্ষকৰ আচৰণ প্ৰশিক্ষণ প্ৰক্ৰিয়া। এখন শিক্ষানুষ্ঠানত শিক্ষকৰ আচৰণৰ যথেষ্ট প্ৰভাৱ পৰা দেখিবলৈ পোৱা যায়। শিক্ষাৰ্থীৰ উপযুক্ত আচৰণৰ বিকাশত শিক্ষকৰ যথেষ্ট ভূমিকা আছে। গতিকে প্ৰশিক্ষণৰ যোগেদি শিক্ষকৰ আচৰণ সংশোধন কৰা হয়।

maxmind